কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/০১/২২-২৩
Ref :

তাৰিখ : ১০-০৪-২০২২
Date :

## "অভাৱ, প্ৰভাৱ আৰু স্বভাৱে জীৱনৰ গতিপথ নিৰ্ণয় কৰে" : ড° ননীগোপাল মহন্ত
## অসম জাতীয় বিদ্যালয়ত অভিজ্ঞান শিবিৰ আৰু অভিজ্ঞান সভা

**নুনমাটি, গুৱাহাটী, ১০ এপ্ৰিল ঃ** অসম জাতীয় বিদ্যালয়ৰ ব্যতিক্ৰমী অনুষ্ঠান অভিজ্ঞান শিবিৰ আৰু অভিজ্ঞান সভা ৯ আৰু ১০ এপ্ৰিল তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত হৈ যায়। উল্লেখযোগ্য যে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলে বিদ্যালয়খনত পাৰ কৰা সুদীৰ্ঘ দিনৰ স্মাৰক হিচাপে দুদিন আৰু এনিশা বিদ্যালয়ত কটোৱাৰ সুযোগ প্ৰদানেৰে অভিজ্ঞান শিবিৰ আৰু এটা দিনৰ কাৰ্য্যসূচীৰে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে অভিজ্ঞান সভাৰ আয়োজন কৰা হয়। এইবাৰৰ অভিজ্ঞান শিবিৰৰ প্ৰথম দিনাৰ কাৰ্য্যসূচীত বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ড° মৈথিলী হাজৰিকাই কৈশোৰ কালৰ বিভিন্ন সমস্যাৰ বিষয়ে শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে বহুমূলীয়া দিহা-পৰামৰ্শ আগবঢ়ায়। তদুপৰি শিক্ষাৰ্থীসকলৰ মাজত প্ৰীতি খেল-ধেমালি আৰু মনোৰঞ্জনমূলক অনুষ্ঠানো অনুষ্ঠিত কৰা হয়। ১০ এপ্ৰিল, ৰবিবাৰে দিনৰ ভাগত শিক্ষাৰ্থীসকলে বিশিষ্ট কেৰিয়াৰ পৰামৰ্শদাতা ড° গৌৰাংগ কুমাৰ শৰ্মাৰ সৈতে অন্তৰংগ আলাপত অংশগ্ৰহণ কৰে। ড° শৰ্মাই শিক্ষাৰ্থীসকলক কেৰিয়াৰ সম্পৰ্কীয় বিভিন্ন দিশ আঙুলিয়াই দিয়ে। বিদ্যালয়ৰ সংগীত বিভাগৰ শিক্ষয়িত্ৰী বৰ্ণালী দেৱী আৰু একাংশ শিক্ষাৰ্থীৰ সৰস্বতী বন্দনাৰে ১০ এপ্ৰিলৰ বিয়লি ৩.৩০ বজাত অভিজ্ঞান শিবিৰ আৰু অভিজ্ঞান সভাৰ মুকলি সভাৰ শুভাৰম্ভ ঘটে। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে সকলোৰে উদ্দেশ্যি দিয়া আদৰণী ভাষণত 'অভিজ্ঞান শিবিৰ'ৰ জন্ম কাহিনী সুঁৱৰি এই ধাৰণাৰ পিতৃস্বৰূপ বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক প্ৰয়াত ত্ৰিদিব ভট্টাচাৰ্য্যক স্মৰণ কৰে। এই গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা ড° ননীগোপাল মহন্ত। ভাষণ প্ৰসংগত ড° মহন্তই অভাৱ, প্ৰভাৱ আৰু স্বভাৱে জীৱনৰ গতিপথ নিৰ্ণয় কৰে বুলি উল্লেখ কৰি কয় যে জীৱনৰ বাটত ভাল আৰু বেয়াৰ লক্ষ্মণ ৰেখাডাল নিৰ্ণয় কৰিব পাৰিলে সফলতাৰে বাট বুলিব পাৰি। নিজৰ ঐশ্বৰ্য্যৰে আনকো পোহৰ বিলাব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলক ঐশ্বৰ্য্যশালী হ'বলৈ তেওঁ আহ্বান জনায়। নিজৰ জীৱনৰ অভিজ্ঞতাৰ আলম লৈ তেওঁ কয় যে জীৱনৰ যাত্ৰা পথ কণ্টকাকীৰ্ণ হ'লেও উৰ্দ্ধগামী হোৱা বাঞ্ছনীয়। ইয়াৰ বাবে নিজৰ মন, শৰীৰ আৰু বিশ্বাসৰ শিপাডালক শক্তিশালী কৰি তুলিবলৈও তেওঁ শিক্ষাৰ্থীসকলক আহ্বান জনায়। বিদ্যালয়ৰ সচিব ডা° নাৰায়ণ শৰ্মাই তেওঁৰ চমু ভাষণত মাৰ্কশ্বিটখনেই গতিপথ নিৰ্ণয়ৰ একমাত্ৰ মাপকাঠি নহয় বুলি মন্তব্য কৰি ক'ভিডসৃষ্ট পৰিবেশৰ মাজেৰে শিক্ষা গ্ৰহণ কৰাৰ অভিজ্ঞতাই শিক্ষাৰ্থীসকলৰ ভৱিষ্যত জীৱনত সহায় কৰিব বুলি মতপোষণ কৰে। মহাভাৰতৰ উদাহৰণেৰে লক্ষ্য স্থিৰ কৰি ধৈৰ্য্য আৰু একাগ্ৰতাৰে আগবাঢ়িলে জীৱনত সফলতা লাভ কৰিব পাৰি বুলিও তেওঁ উল্লেখ কৰে। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী উদয়া ফুকন আৰু জুৰি গোস্বামীয়ে শিক্ষাৰ্থীসকলৰ উদ্দেশ্যে ভাষণ প্ৰদান কৰাৰ উপৰি শিক্ষাৰ্থী আৰু অভিভাৱকসকলেও সভাত নিজ নিজ অনুভৱ ব্যক্ত কৰে। বিদ্যালয়ৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰাজিতা দত্ত আৰু শিক্ষাৰ্থী ৰিম্পী কলিতাৰ গীতৰ শৰায়ে এই অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এই বিশেষ সভাখনৰ কাৰ্য্যসূচীৰ আঁত ধৰে বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক দীপক কোচে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ উপাধ্যক্ষ ৰবীন্দ্ৰ বৰ্মনে। অভিজ্ঞান শিবিৰ তথা অভিজ্ঞান সভাৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ গণিত বিভাগৰ মুৰব্বী শিক্ষয়িত্ৰী নিবেদিতা তালুকদাৰ আৰু বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী বনানি ডেকা।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়